অসম বিধান সভা
তৰা চিহ্নীত প্ৰশ্ন নং : ১১৬
উত্তৰ দিবলগীয়া তাৰিখ : ১৩/০৭/২০২৬

বিষয় : **টংলা সমষ্টিৰ লোক নিৰ্মাণ (পথ)ৰ সম্পৰ্কে।**
বিধায়ক : শ্ৰী বিকন চন্দ্ৰ ডেকা :

**মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহাদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) মঙ্গলদৈ-ভূটিয়াচাং পথৰ বৰ্তমান অৱস্থা কি ? বিশেষকৈ কচুবিলৰ পৰা ননৈ সেতু পৰ্যন্ত অংশটো মেৰামতি, উন্নয়নৰ বাবে কোনো প্ৰস্তাৱ অনুমোদন কৰা হৈছে নেকি ? যদি হৈছে, তেন্তে তাৰ বিৱৰণ দিব।

(খ) ৫ নং ভূটিয়াচাঙৰ পৰা হাতীগড় সেনা ব্ৰিগেড সংযোগী পথত প্ৰস্তাৱিত কুলচি সেতুৰ বৰ্তমান অৱস্থা কি ? অনুমানিত ব্যয়, অৰ্থৰ উৎস আৰু সম্পূৰ্ণ হোৱাৰ সম্ভাব্য তাৰিখ সহ বিৱৰণ দিব।

(গ) বেংগাবাৰী-নাঁওকটা পথ প্ৰকল্পৰ বৰ্তমান অৱস্থা কি আৰু ইয়াৰ সম্পূৰ্ণ হোৱাৰ সম্ভাব্য তাৰিখ কেতিয়া ?

(ঘ) কচুবিলৰ পৰা ভূটিয়াচাঙলৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কাৰ্য্য বৰ্তমান কি অবস্থাত আছে ? নিৰ্মাণ কাৰ্য্য বিলম্ব হোৱাৰ কাৰণ কি আৰু কেতিয়া সম্পূৰ্ণ হ'ব ?

**::উত্তৰ::**

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

(ক) মঙলদৈ–ভূটীয়া চাং পথৰ মুঠ পথৰ মুঠ দৈৰ্ঘ্য ৬২.০০ কিলোমিটাৰ। ইয়াৰে প্ৰথম ৪০ কি:মি: অংশ লোকনিৰ্মাণ (পথ) বিভাগৰ অধীনত আৰু এইখিনি যাতায়াতৰ বাবে সুচল অৱস্থাত আছে । বাকী, ৪০.০০ কি.মি.ৰ পৰা ৬২.০০ কি.মি.ৰ অংশ Gazette Notification No. 863(E) dated 04/03/2014, S.O. No. 1306(E) dated 20/03/2023 আৰু S.O. No. 1921(E) dated 15/07/2025 অনুসৰি ৰাষ্ট্ৰীয় ঘাইপথৰ অন্তৰ্ভূক্ত হৈছে । সেই অংশত মূল কামৰ (Original Work) কোনো আঁচনি লোৱা হোৱা নাই যদিও MoRTHৰ অনুমোদন হ্ৰস্বকালীন ৰক্ষণাবেক্ষণ (Short Term Maintenance Contract) আঁচনিৰ অধীনত মেৰামতিৰ কাম চলি আছে ।

(খ) মাননীয় বিধায়কে প্ৰশ্নত উল্লেখ কৰা ৫ নং ভূটীয়াচাংৰ পৰা হাতীগড় সেনা ব্ৰিগেড সংযোগী পথত কুলশী নদীৰ ওপৰত দলং নিৰ্মাণৰ বাবে কোনো প্ৰকল্পৰ অনুমোদন লোৱা হোৱা নাই । এই দলংখন নিৰ্মাণৰ বিষয়টো পুঁজিৰ উপলব্ধতা, আঁচনিৰ নীতি-নিৰ্দেশনা, বিভাগীয় অগ্ৰাধিকাৰ, ভূমিৰ উপলব্ধতা, কাৰিকৰী সম্ভাৱনীয়তা তথা অন্যান্য প্ৰাসংগিক বিষয়ৰ ওপৰত নিৰ্ভৰ কৰিব।

বৰ্তমান পৰ্য্যন্ত দলংখনৰ অনুমোদিত ব্যয়, অৰ্থৰ উৎস আৰু সম্পূৰ্ণ হোৱাৰ সম্ভাব্য তাৰিখ নিৰ্ধাৰণ কৰা হোৱা নাই।

(গ) বেংবাৰীৰ পৰা নাওকাটা লৈ (০.০০ কি.মি.ৰ পৰা ৩৬.৫১২ কি.মি.) অংশটো লোক নিৰ্মাণ পথ বিভাগৰ অধীনত অসম মালা ২.০ আঁচনিৰ অধীনত ২০২৩–২৪ বৰ্ষত মুঠ ১১৫.৭৮ কোটি টকাত অনুমোদিত হৈ নিৰ্মাণকাৰ্য্য চলি আছে । উক্ত কামটোৰ বৰ্তমান অগ্ৰগতি প্ৰায় ৭০% । কামটো অক্টোবৰ, ২০২৬ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

(ঘ) কচুবিলৰ পৰা ভূটিয়াচাংলৈ ৰাষ্ট্ৰীয় ঘাইপথচোৱা (NH-715A) ২৩-১২-২০২৫ তাৰিখে লোক নিৰ্মাণ বিভাগ, ওদালগুৰি (পথ আৰু গৃহ) বিভাগ, ওদালগুৰি ৰ পৰা লোক নিৰ্মাণ বিভাগ, ৰঙিয়া ৰাষ্ট্ৰীয় ঘাইপথ সংমণ্ডল কাৰ্যালয়লৈ হস্তান্তৰ কৰা হয়।

ৰঙিয়া ৰাষ্ট্ৰীয় ঘাইপথ সংমণ্ডলৰ দ্বাৰা উক্ত পথচোৱাত এতিয়ালৈকে কোনো ধৰণৰ মূল কামৰ আঁচনি (Original Work Scheme) কৰা হোৱা নাই, কেৱল পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয় (MORT&H)ৰ অনুমোদন অনুযায়ী হ্ৰস্বকালীন ৰক্ষণাবেক্ষণ চুক্তি (Short Term Maintenance Contract) আঁচনিৰ অধীনত গোলমা চকৰ পৰা চামৰাংলৈ কচুবিলৰ পৰা ভূটিয়াচাঙক অন্তৰ্ভূক্ত কৰি সৰ্বমুঠ ৪১.৬২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ঘাইপথটোৰ বাবে ২.২৪ কোটি টকা অনুমোদন দিয়া হৈছে আৰু সেইমৰ্মে যোৱা ২৭/১১/২০২৫ তাৰিখৰ পৰা উক্ত পথচোৱাত কাম কৰি থকা হৈছে। অহা ২৬/১১/২০২৬ তাৰিখলৈ কামখিনি সম্পূৰ্ণ কৰা হ'ব।

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয় (MORT&H) ৰ নিৰ্দেশনা অনুসৰি উক্ত পথচোৱাত এটি পথ সবলীকৰণ (Strengthening Work) কাম ৰ প্ৰাকক্লন প্ৰস্তুত কৰি থকা হৈছে যিটো অতিশীঘ্ৰে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয় (MORT&H) ক দাখিল কৰা হ'ব । উক্ত প্ৰাকক্লন অনুমোদন হ'লে যাৱতীয় নিয়ম মৰ্মে অনতিপলমে নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হ'ব।

The reply uploaded in the portal

---ooo---